# অসম বিধান সভা

## মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা

## শনিবাৰ, ২৯ নবেম্বৰ, ২০২৫

গৃহ (কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা তথা অন্যান্য বিষয় সমূহৰ বাহিৰে মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰীৰূপেশ গোৱালাক সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিষয় সমূহ) কৰ্মচাৰী, লোক নিৰ্মাণ (প্ৰধানমন্ত্ৰী গ্ৰাম সড়ক যোজনা আৰু বিভাগৰ অন্য বিষয় সমূহৰ বাহিৰে মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰীকৃষ্ণেন্দু পালক সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিষয়সমূহ) চিকিৎসা শিক্ষা আৰু গৱেষণা (প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত যোজনা আৰু বিভাগৰ অন্যান্য বিষয় সমূহৰ বাহিৰে মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰী প্ৰশান্ত ফুকনক সময়ে সময়ে অৰ্পণ কৰা বিষয় সমূহ), প্ৰশাসনীয় সংস্কাৰ, প্ৰশিক্ষণ, ৰাজহুৱা অভিযোগ আৰু পেঞ্চন, মুখ্যমন্ত্ৰীৰ সচিবালয়, নিৰ্বাচন, বিধায়ন, ৰাজনৈতিক, ৰূপান্তৰ আৰু উন্নয়ন আৰু কোনো মন্ত্ৰীৰ অধীনত ন্যস্ত নকৰা বিভাগ, পাৰ্বত্য অঞ্চল উন্নয়ন, সমবায়, খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি (প্ৰত্নতত্ব সঞ্চালকালয় আৰু পুথিভঁৰাল আৰু সংগ্ৰহালয় সঞ্চালকালয়) লোক নিৰ্মাণ গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ, শক্তি, দক্ষতা নিয়োগ আৰু উদ্যমিতা, চিকিৎসা শিক্ষা আৰু গৱেষণা (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা প্ৰধানমন্ত্ৰীৰ আয়ুষ্মান ভাৰত যোজনা আৰু বিভাগৰ অন্যান্য বিষয় সমূহ), পশুপালন আৰু পশুচিকিৎসা, মীন, লোক নিৰ্মাণ পথ, (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা প্ৰধানমন্ত্ৰী গ্ৰাম সড়ক যোজনা আৰু বিভাগৰ অন্য বিষয় সমূহ) শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী উন্নয়ন, গৃহ (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা তথা বিভাগৰ অন্যান্য বিষয় সমূহ)

**প্ৰশ্ন সমূহৰ মুঠ সংখ্যা-২০**

*বিষয় ঃ* **পকী দলং নিৰ্মাণ**

শ্ৰী কৰিম উদ্দিন বড়ভূইয়া ঃ

* ৮১। মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

১০ নং সোণাই সমষ্টিৰ অন্তৰ্গত Baghpur to Satkarakandi লৈ যোৱা পথত বৰাক নদীৰ ওপৰত পকী দলং নিৰ্মাণৰ বাবে দিয়া প্ৰস্তাৱটো বৰ্তমান কি পৰ্য্যায়ত আছে? উক্ত পথেৰে ভাগপুৰ, গোবিন্দপুৰ, বাছকান্দি, বগীহাৰী আৰু বিভিন্ন অঞ্চলৰ মানুহৰ যাতায়াতৰ প্ৰতি লক্ষ্য ৰাখি অতি সোনকালে পকী দলঙৰ নিৰ্মাণৰ ব্যৱস্থা কৰিবনে?

*বিষয় ঃ* **সৰবৰাহ কৰা পশুধন**

শ্ৰী ৰেকিবুদ্দিন আহমেদ ঃ

* ৮২। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২১ত নতুন চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছত এতিয়ালৈকে বিদেশলৈ চোৰাংকৈ সৰবৰাহ কৰিবলৈ বিচৰা কিমান গৰু, ম'হ জব্দ কৰা হৈছে?

(খ) জব্দ কৰা গৰু, ম'হ সমূহ ক'ত ৰখা হৈছে আৰু কি অৱস্থাত আছে?

(গ) উক্ত স্থানত সৰ্বমুঠ কিমান পশুধন আছে আৰু সুৰক্ষিত অৱস্থাত আছে নে?

(ঘ) অসমত কিমান গো-শালা আছে যিবিলাকক লৈ চৰকাৰে অনুদান দি আছে? অনুদানৰ পৰিমাণ জনাব।

(ঙ) গো ৰক্ষাৰ নামত চৰকাৰৰ পৰিকল্পনা কি?

(চ) কিমান গৰুৰ চোৰাং সৰবৰাহকাৰী এতিয়ালৈকে আৰক্ষীয়ে কৰায়ত্ব কৰিছে?

*বিষয় ঃ* **জিলা কাৰাগাৰৰ সম্পৰ্কে**

শ্ৰী দেৱব্ৰত শইকীয়া ঃ

* ৮৩। মাননীয় গৃহ (কাৰাগাৰ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰ অৱগত নে যে জিলা কাৰাগাৰ সমূহত অনুমোদিত ক্ষমতাৰ তুলনাত বৰ্তমান কাৰাবন্দী লোকৰ সংখ্যা কিমান? যদি অৱগত, তেন্তে ক্ষমতাতকৈ অধিক হাৰত থকা কাৰাবন্দীৰ হাৰ হ্ৰাসৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে? তথ্য দাঙি ধৰিব।

(খ) বিগত পাঁচ বছৰত জিলা কাৰাগাৰ সমূহত বন্দী হৈ থকা অপৰাধীৰ সংখ্যা কিমান আৰু বিচৰাধীন হৈ থকা অভিযুক্তৰ সংখ্যা কিমান?

(গ) জিলা কাৰাগাৰসমূহত কোনো যৌন আতিশয্যৰ ঘটনা সংঘটিত হৈছে নেকি? যদি হৈছে, তেনে ঘটনাৰ সংখ্যা কিমান জনাব।

(ঘ) মহিলা কয়দীসকলৰ বাবে আছুতীয়া স্থান বৃদ্ধি কৰা হ'বনে? গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ কিমান শতাংশ ভূমি মহলাৰ বাবে ব্যৱস্থা কৰা হয়?

(ঙ) Prison Reform অনুসৰি নতুনকৈ কাৰাগাৰ সমূহত কয়দী সকলৰ বাবে কি সুবিধা চৰকাৰে প্ৰদান কৰিব?

*বিষয় ঃ* **চাহ-শ্ৰমিকৰ দৈনিক মজুৰি সম্পৰ্কে**

শ্ৰী তৰঙ্গ গগৈ ঃ

* ৮৪। মাননীয় চাহ জনজাতি আৰু আদিবাসী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ চাহ-শ্ৰমিকৰ নূন্যতম দৈনিক মজুৰি কিমান?

(খ) যোৱা ২০ বছৰত কিমান মজুৰি বৃদ্ধি কৰা হ'ল? বছৰ ভিত্তিত বিতংকৈ জনাব।

(গ) আগন্তুক বছৰত মজুৰি বৃদ্ধি কৰাৰ কিবা পৰিকল্পনা আছে নেকি? সবিশেষ জনাব।

*বিষয় ঃ* **পকীপথ আৰু দলঙৰ নিৰ্মাণ সম্পৰ্কে।**

শ্ৰী আশ্ৰাফুল হুছেইন ঃ

* ৮৫। মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাত বৰ্তমানে চলি থকা পকীপথ আৰু দলঙৰ নিৰ্মাণ কাৰ্য্যৰ ফিজিকেল আৰু ফাইনেঞ্চিয়েল প্ৰগ্ৰেছ জনাব।

(খ) যিসমূহ কাম নিৰ্দিষ্ট সময়ৰ অন্তত সম্পূৰ্ণ কৰিব নোৱাৰিলে তাৰ উচিত বাখ্যা অৱগত কৰিব। এই সংক্ৰান্তত নিৰ্মাণকাৰী সংস্থাৰ বিৰুদ্ধে গ্ৰহণ কৰা ব্যৱস্থা সম্পৰ্কে অৱগত কৰিব।

(গ) ২০২৫ বৰ্ষত SOPD আৰু RIDF ৰ অধীনত আহ্বান কৰা নিবিদাৰ প্ৰক্ৰিয়া কিমান দূৰলৈ আগবাঢ়িল? সবিশেষ জনাব।

(ঘ) ২০২৩ চনত চৰকাৰে গ্ৰহণ কৰা ১০০০ খন নতুন দলং নিৰ্মাণ আঁচনিৰ অধীনত বৰ্তমানলৈ কিমান সংখ্যক দলং নিৰ্মীয়মান অৱস্থাত আছে?

(ঙ) মুখ্য অভিযন্তা (EAP) ৰ অধীনত কাছুমাৰা-আণ্ডাভাঙ্গা দলংখনৰ দুবাৰ নিবিদা আহ্বানৰ পিছতো এতিয়ালৈ কাম আৰম্ভ নোহোৱাৰ কাৰণ কি? কেতিয়ালৈ ইয়াৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰা হ'ব?

*বিষয়ঃ* **বাট-পথ সম্পৰ্কে**

শ্ৰী ৰফিকুল ইছলাম ঃ

* ৮৬। মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা-লেংটিছিঙা হৈ অভয়াপুৰীলৈ যোৱা ৰাজ্যিক ঘাইপথত বেঁকী নদীৰ ওপৰত থকা দলংখনৰ ওপৰেৰে কেতিয়াৰ পৰা কি কাৰণত যাতায়াত বন্ধ হৈ আছে? এই দলংখনৰ ওপৰেৰে সূচল যাতায়াতৰ বাবে বিভাগে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(খ) এই দলংখনৰ প্ৰাক্কলনত খুঁটি সমূহৰ দৈৰ্ঘ্য যিমান ঠিক কৰা হৈছিল, সিমান দৈৰ্ঘ্য প্ৰকৃতাৰ্থত আছে নে? যদি আছে, কিদৰে খুঁটিৰ তলত মাটি নোহোৱা হ'ল? এই ক্ষেত্ৰত বিভাগে তদন্ত ঘোষণা কৰিব নে? যদি কৰে, কেতিয়া কৰিব? সবিশেষ জনাব।

(গ) বৰপেটা জিলাত নিৰ্দিষ্ট সময়ৰ ভিতৰত কাম সম্পূৰ্ণ নকৰা কামৰ তালিকা আৰু এই সংক্ৰান্তত বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰিছে তাৰ তালিকা তথ্যসহ দাখিল কৰিব।

*Subject :* **Regarding Roads.**

Shri Jolen Daimary :

* 87. Will the Minister of Public Works Roads Department be pleased to state :

a) How many roads have been newly sanctioned under PMGSY in the year 2023-24, 2024-25 and 2025-26 ? Please provide the list.

b) How many roads have been sanctioned in Tamulpur LAC under PWD (R) in the year 2024-25 and 2025-26? Please provide the list.

c) What is the current number of schemes being implemented under the Assam Mala scheme in Tamulpur LAC ? What percentages of these schemes have been completed so far?

d) How many roads have been allocated and whether these were sanctioned or not under Assam Mala scheme in Tamulpur LAC? Please provide the list.

e) It is known that PWD (B) department is continuing the works of Circuit House and District Sports Stadium in Tamulpur LAC. What percentage of the construction has

been completed and when will it be inaugurated? Please provide details.

*বিষয় ঃ* **বিষয়া কৰ্মচাৰীৰ গ্ৰেপ্তাৰ সম্পৰ্কে**

শ্ৰী জাকিৰ হুছেইন সিকদাৰ ঃ

* ৮৮। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৯ চনৰ পৰা এই পৰ্য্যন্ত কিমানজন বিষয়া-কৰ্মচাৰীক অসম আৰক্ষী, মুখ্যমন্ত্ৰীৰ বিশেষ নিৰীক্ষণ কোষ, দুৰ্নীতি নিবাৰক আৰু তদাৰক শাখা আৰু অন্য থানাই গ্ৰেপ্তাৰ কৰিছে যিসকলৰ বিৰুদ্ধে Prevention of Corruption Act লগোৱা হৈছে? তথ্য সদনত দাখিল কৰিব।

(খ) গ্ৰেপ্তাৰ হোৱা কিমানজন বিষয়া কৰ্মচাৰীক আদালতত দোষী সাব্যস্ত কৰিছে? তালিকা দিব।

(গ) গ্ৰেপ্তাৰ হোৱাৰ পিছত কোন কোন বিষয়া-কৰ্মচাৰীৰ চাকৰি বৰ্খাস্ত হৈছে আৰু কিমান সংখ্যকে কি কাৰণত চাকৰি ঘূৰাই পাইছে? উত্তৰ বিতংভাৱে জনাব।

(ঘ) কিমান সংখ্যক বিষয়া-কৰ্মচাৰীৰ স্থাৱৰ অস্থাৱৰ সম্পত্তি বাজেয়াপ্ত কৰা হৈছে আৰু এবাৰ বাজেয়াপ্ত হোৱাৰ পিছত কিমান সংখ্যকক সম্পত্তি পুনৰ ঘূৰাই দিছে? তালিকা সদনত দাখিল কৰিব।

(ঙ) কোন কোন বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে অভিযোগ নামা দাখিল কৰা হৈছে আৰু আদালতত কাৰ কাৰ গোচৰ কি পৰ্য্যায়ত আছে? প্ৰতিজনৰ বিষয়ে বেলেগ বেলেগকৈ তথ্য দিব।

(চ) আয়তকৈ বেছি সম্পত্তি থকা কোন কোন বিষয়া-কৰ্মচাৰীক চৰকাৰে ২০১৯ চনৰ পৰা গ্ৰেপ্তাৰ কৰিছে? এই অভিযোগত গ্ৰেপ্তাৰ হোৱা বিষয়া কৰ্মচাৰীৰ বিৰুদ্ধে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে? বিতংকৈ জনাব।

*বিষয় ঃ* **পথ নিৰ্মাণ ও পকীকৰণ**

শ্ৰী ছামছুল হুদা ঃ

* ৮৯। মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২৭ নং বিলাসীপাৰা পূব বিধান সভা সমষ্টিত বিভাগে ২০২৩-২৪, ২০২৪-২৫ আৰু ২০২৫-২৬ বিত্তীয় বৰ্ষত কিমানটা পথ নতুনকৈ নিৰ্মাণ কৰিলে আৰু কিমানটা পথ মেৰামতি কৰিলে? (বিতং তথ্য সদনত দাখিল কৰিব)

(খ) উক্ত সমষ্টিত বিভাগে নতুন কিবা আঁচনি লৈছেনে?

(গ) ৰঙিয়া লোক নিৰ্মাণ সংমণ্ডলৰ অধীনত থকা কেন্দুকোনাৰ পৰা কৰ্তাখাত হৈ বালিসত্ৰ, ধুহিবালা হৈ চৌমুখালৈ যোৱা পথটো (বগলচ ৰ'ড) বৰ্তমান কি পৰ্য্যায়ত আছে? উক্ত পথটোৰ নিৰ্মাণৰ কাম কেতিয়া আৰম্ভ কৰা হ'ব?
(পথটো চৰজমিন তদন্ত কৰি তদন্তৰ প্ৰতিবেদন সদনৰ মেজত দাখিল কৰিব)

*বিষয় ঃ* **পশু চিকিৎসা কেন্দ্ৰ**

ড° অমিয় কুমাৰ ভূঞা ঃ

* ৯০। মাননীয় পশু পালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিহপুৰীয়া সমষ্টিত কিমানটা পশু চিকিৎসা কেন্দ্ৰ আৰু পশু চিকিৎসা উপকেন্দ্ৰ আছে? ইয়াৰে কিমানটা বৰ্তমান সম্পূৰ্ণ কাৰ্য্যক্ষম হৈ আছে? জনাব।

(খ) বিহপুৰীয়া সমষ্টিৰ অন্তৰ্গত পিঠাগুৰি

পশু চিকিৎসালয় আৰু ভোলাবৰী পশু চিকিৎসা উপকেন্দ্রটিৰ অৱস্থা অতি শোচনীয় আৰু চিকিৎসক তথা কৰ্মচাৰীসকলৰ আবাসগৃহ কেইটিও জৰাজীৰ্ণ অৱস্থাত আছে। এই বিষয়ে চৰকাৰ জ্ঞাত নে?

(গ) পশু চিকিৎসাৰ ক্ষেত্ৰত সহায়ক হোৱাকৈ চিকিৎসালয়কেইখন অত্যাধুনিক সা-সুবিধাৰে পুনৰ নিৰ্মাণ অথবা মেৰামতি কৰাৰ বাবে কোনো কাম হাতত লৈছে নেকি? যদি লৈছে, কেতিয়ালৈকে নিৰ্মাণ কৰা হ'ব?

(ঘ) চিকিৎসালয়কেইখনত চিকিৎসাৰ বাবে সকলো ধৰণৰ পৰ্য্যাপ্ত পৰিমাণৰ সা-সুবিধা তথা চিকিৎসক কৰ্মচাৰী আছে নে? যদি নাই, সা-সুবিধা তথা চিকিৎসক-কৰ্মচাৰীৰ নিযুক্তিৰ ব্যৱস্থা গ্ৰহণ কৰিছে নে? যদি ব্যৱস্থা গ্ৰহণ কৰিছে, কেতিয়াৰ পৰা ৰাইজে এই সুবিধা লাভ কৰিব?

*বিষয় ঃ* **গড়কাপ্তানী বিল্ডিঙৰ কাম**

ডাঃ আচিফ মঃ নাজাৰ ঃ

* ৯১। মাননীয় লোক নিৰ্মাণ, গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২১ চনৰ পৰা আজিলৈকে লাহৰীঘাট সমষ্টিৰ অন্তৰ্গত কোন শিতানৰ জৰিয়তে কিমানটা বিল্ডিঙৰ কামত অনুমোদন জনোৱা হৈছে আৰু তাৰে কিমান সম্পূৰ্ণ হৈছে? তথ্য সহকাৰে জনাব।

(খ) লাহৰীঘাট সমষ্টিৰ অন্তৰ্গত চিকিৎসালয় বা অন্য বিভাগৰ চৰকাৰী কৰ্মচাৰীসকলৰ চৰকাৰী বাসগৃহ নিৰ্মাণ কৰিবলৈ কিবা অনুমোদন জনোৱা হৈছে নে? যদি জনোৱা হোৱা নাই, কেতিয়া জনোৱা হ'ব জনাব।

*বিষয় ঃ* **Six Schedule সম্পৰ্কে**

শ্ৰী যাদৱ স্বৰ্গীয়াৰী ঃ

* ৯২। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) Rabha, Mising আৰু Tiwa Autonomous Council ভাৰতীয় সংবিধানৰ Sixth Schedule ত অন্তৰ্ভুক্ত হ'বনে? যদি হয়, কেতিয়া কৰিব আৰু যদি নহয়, কিয় নহয় সদনত জনাব।

(খ) Rabha, Mising আৰু Tiwa Autonomous Council ক যোৱা ২০২১-২২ চনৰ পৰা বৰ্তমানলৈকে কিমান পুঁজি আৱণ্টন দিয়া হ'ল, তথ্য সহকাৰে বিতংকৈ জনাব।

*বিষয় ঃ* **ন্যায় বৰ্হিভূত হত্যা**

শ্ৰী অখিল গগৈ ঃ

* ৯৩। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১০ মে', ২০২১ চনৰ পৰা এই প্ৰশ্নৰ উত্তৰ দিয়া তাৰিখলৈ অসমত কিমান জন অভিযুক্তই পুলিচৰ জিম্মাত মৃত্যুবৰণ কৰিছে অথবা গুলিবিদ্ধ হৈছে অথবা আঘাতপ্ৰাপ্ত হৈছে?

(খ) এই সময়খিনিৰ ভিতৰত জিম্মাত লোৱাৰ পূৰ্বেই পুলিচে কিমান অভিযুক্তৰ ক্ষতিসাধন কৰিছে?

(গ) এনেকুৱা প্ৰতিটো ঘটনাৰ ওপৰত এজাহাৰ দাখিল কৰা আৰু দণ্ডাধীশৰ তদন্ত (Magistrate Enquiry) কৰা হৈছেনে? অভিযুক্তৰ নাম, গোচৰৰ পঞ্জীয়ন নম্বৰ, গোচৰৰ প্ৰকাৰ আৰু তদন্ত কৰা দণ্ডাধীশৰ নাম উল্লেখ কৰিব।

(ঘ) এনে কিমানটা ঘটনাৰ তদন্ত ঘোষণা

কৰা হ'ল, কিমানটাত কৰা নহ'ল? তদন্তৰ প্ৰতিবেদনসমূহ সদনত দাখিল কৰিব।

(ঙ) যোৱা ১৬ জুলাই ২০২৪ তাৰিখে কাছাৰৰ আৰক্ষী অধীক্ষকে সংবাদ মেলযোগে ঘোষণা কৰা মাৰ উগ্ৰপন্থী সংগঠনৰ লাললুইং মাৰ, লাল বিকুল মাৰ আৰু জোচা মাৰৰ মৃত্যু কি পৰিস্থিতিত হ'বলৈ পালে সবিশেষ সদনক অৱগত কৰিব নেকি?

(চ) এই ঘটনাৰ উচ্চ পৰ্য্যায়ৰ কোনো তদন্ত হৈছে নে? তদন্তৰ প্ৰতিবেদন সদনত দাখিল কৰিব।

*বিষয়ঃ* **দোকানৰ অনুজ্ঞাপত্ৰ সম্পৰ্কে**

শ্ৰী নজৰুল হক ঃ

* ৯৪। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২৩ নং ধুবুৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত অসম বাংলাদেশ সীমান্তৱৰ্তীৰ কাঁইটীয়া তাঁৰৰ বেৰৰ পৰা প্ৰায় ৩-৪ কিলোমিটাৰ দূৰত্বত থকা স্বত্বেও ধৰ্মশালা উন্নয়ন খণ্ডৰ অধীনৰ পাটামাৰী গাঁও পঞ্চায়তৰ একমাত্ৰ বজাৰখন আংশিকভাৱে কি কাৰণত বন্ধ কৰি দিয়া হৈছে? বজাৰখন বন্ধ কৰি দিয়াৰ ক্ষেত্ৰত চৰকাৰৰ কোনো নীতি-নিৰ্দেশনা জাৰি কৰিছে নেকি? যদি কৰিছে, তাৰ প্ৰতিলিপি সদনত দাখিল কৰিব।

(খ) উক্ত অঞ্চলৰ ৰাইজৰ নিত্য প্ৰয়োজনীয় খাদ্য সামগ্ৰী সমূহ ধুবুৰীৰ পৰা ক্ৰয় কৰি পাটামাৰীলৈ লৈ যোৱা পথত সাধাৰণ জনসাধাৰণক BSF জোৱানে কি কাৰণত বাধা আৰোপ কৰে? এইক্ষেত্ৰত চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিব?

(গ) বজাৰখনৰ দোকান সমূহৰ অনুজ্ঞাপত্ৰ নবীকৰণ আৰু নতুনকৈ অনুজ্ঞাপত্ৰ দিয়াৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে? বিতং ভাৱে জনাব।

*Subject :* **Construction of RCC Bridge.**

Shri Bhupen Boro :

* 95. Will the Minister of PWD(B) Department be pleased to state :

When the RCC Bridge at Nikachi-10 Subankhata Road over the Dering River in 62 Barama (ST) LAC be constructed ?

*বিষয়ঃ* **ৰাজ্যখনত বিদ্যুতৰ চাহিদা সম্পৰ্কত**

শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ

* ৯৬। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত প্ৰতিদিনে কিমান বিদ্যুৎ বিভাগে উৎপাদন কৰে আৰু প্ৰতিদিনে ৰাজ্যখনত কিমান বিদ্যুতৰ প্ৰয়োজন, জনাবনে?

(বিভাগে ক'ৰ ক'ৰ পৰা কিমান বিদ্যুৎ উৎপাদন কৰে সদনৰ মজিয়াত তালিকা দাখিল কৰিব)

(খ) বিভাগে প্ৰতিদিনে নিজাববীয়াকৈ উৎপাদন কৰাৰ উপৰিও প্ৰতিদিনে ৰাজ্যখনত অতিৰিক্ত কিমান বিদ্যুতৰ প্ৰয়োজন হয়, জনাবনে?

(গ) অতিৰিক্ত বিদ্যুৎ ক্ৰয় কৰাৰ বাবে প্ৰতিদিনে বিদ্যুৎ ক্ৰয় কৰা প্ৰতিষ্ঠানসমূহক কিমান টকা দিবলগীয়া হয়, জনাবনে?

(ঘ) ৰাজ্যখনত বিদ্যুতৰ নাটনি দূৰ কৰাৰ বাবে চৰকাৰে কি পৰিকল্পনা হাতত লৈছে?

*Subject :* **Establishment of Police Station.**

Shri Lawrence Islary :

* 97. Will the Minister of Home Department be pleased to state :

Will the Govt. of Assam take any necessary step for establishing new Police Station at Ultapani located near the Indo-Bhutan border ?

*Subject :* **Assam Bhawan, Circuit House and ITI.**

Shri Abdur Rashid Mandal :

* 98. Will the Minister of PWD (Bldg) Department be pleased to state :

(a) Please furnish in details the Administrative Approved amount, NIT, Comparative statement, work order, work order value, original technically sanctioned estimated amount, revised administrative approved amount, revised technically sanctioned estimated amount, revised work order value, soil test report, name & address of contractor, date of commencement, physical and financial progress, stipulated period of completion of works, causes of non-completion of works within the stipulated period and action taken against the contractor if any, against the following works (Civil, electrical, furniture etc).

i) Assam house at New Delhi

ii) Assam house at Chennai

iii) Assam house at Vellore

iv) Assam house at Kolkata

v) Barpeta Circuit House

vi) ITI, Nidanpur, Lakhipur, Goalpara

*বিষয় ঃ* **আৰক্ষী চকী গঠন**

শ্ৰী ওৱাজেদ আলী চৌধুৰী ঃ

* ৯৯। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দক্ষিণ শালমাৰা মানকাচাৰ আৰক্ষী জিলা গঠন আৰু দক্ষিণ শালমাৰা মানকাচাৰ জিলা (অসামৰিক) জিলা সামৰি লোৱা অঞ্চলৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, দক্ষিণ শালমাৰা মানকাচাৰ জিলা (অসামৰিক)ৰ বাহিৰত থকা ফকিৰগঞ্জ জিলা পৰিষদ এলেকা বীৰসিং জৰুৱা আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত এলেকা আৰু জামাদাৰহাট আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত এলেকা সমূহ দক্ষিণ শালমাৰা মানকাচাৰ আৰক্ষী জিলাৰ পৰা কৰ্তন কৰি কেতিয়ালৈ ধুবুৰী আৰক্ষী জিলাত অন্তৰ্ভুক্ত কৰা হ'ব?

*Subject :* **FDC/Beel/etc.**

Smti. Suman Haripriya :

* 100. Will the Minister of Fishery Department be pleased to state :

(a) Whether FDC is liable to and

accountable to the Department of Fishery? Which body can monitor the performance of FDC?

(b) In the last five years how many new beels are undertaken by FDC? (Give detail report LAC wise)

(c) Whether the Govt. is aware about high tender rate quoted for allotment of the beels under FDC in poor SC dominated areas ?

(d) Whether the FDC has served the purpose of appropriate development (all-round) of proper fishermen of the State?

---

A.G.P. (Mini) LAQ - 24/2025/613-750-24-11-2025